অসম চৰকাৰ
উপায়ুক্তৰ কাৰ্যালয়::শিৱসাগৰ
(তৌজি নবিচ শাখা)

বিশেষ পত্ৰ বাহকৰ যোগেদি

নং: এচ.ভি.আৰ.চি./টি.এন./থাওৰা মৌজা/২০২৪/৩৭

দিনাংক: ২৬/০৯/২০২৫

# বিজ্ঞাপন

শিৱসাগৰ জিলাৰ ডিমৌ ৰাজহ চক্ৰৰ অন্তৰ্গত থাওৰা মৌজাৰ মৌজাদাৰৰ মৃত্যু হোৱাত খালী হোৱা মৌজাদাৰ পদৰ বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে । ইচ্ছুক প্ৰাৰ্থীজন ভাৰতীয় নাগৰিক তথা অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে মৌজাৰ অন্তৰ্গত এলেকাত স্থায়ী সম্পত্তি থাকিব লাগিব । প্ৰাৰ্থীজন স্বচ্ছল আৰ্থিক অৱস্থাৰ লোক হোৱাটো বাঞ্চনীয়, যিহেতুকে স্থাৱৰ সম্পত্তি আৰু নগদ ধন "মৌজাৰ সাধনী তথা বকেয়া ৰাজহৰ" জামিন হিচাবে দিব লাগিব । যি স্থানীয় লোকে স্থাৱৰ সম্পত্তি আৰু নগদ ধনৰ নিৰ্দ্ধাৰিত জামিন দিব পাৰিব, তেনে প্ৰাৰ্থীকহে মৌজাদাৰ পদৰ বাবে বিবেচনা কৰা হ'ব । মৌজা পৰিচালনা কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক উক্ত পদৰ বাবে অগ্ৰাধিকাৰ দিয়া হ'ব ।

বৰ্তমান থাওৰা মৌজাৰ চলিত বছৰৰ নিয়মীয়া ৰাজহৰ সাধনী মুঠ ২৬,৬০,৯২৭.০০ (ছাব্বিশ লাখ, ষাঠি হাজাৰ নশ সাতাইশ) টকা যদিও মাটিৰ শ্ৰেণী পৰিৱৰ্তন আৰু ৰাজহ পুণৰ নিৰ্দ্ধাৰণৰ পৰিপেক্ষিত্বত মৌজাৰ বছেৰেকীয়া সাধনী বেছি হোৱাৰ সম্ভাৱনা আছে । মনোনীত প্ৰাৰ্থীজনে চলিত বছৰৰ ৰাজহ সংগ্ৰহ কৰাৰ উপৰিও ২০২২-২৩ আৰু ২০২৩-২৪ ৰাজহ বৰ্ষৰ বাকী পৰি থকা ৰাজহ সংগ্ৰহৰ সম্পূৰ্ণ দ্বায়িত্ব লব লাগিব ।

আবেদনকাৰীয়ে স্থানীয় দুজন মুখীয়াল লোকৰ পৰা লোৱা চৰিত্ৰৰ প্ৰমাণ পত্ৰৰ লগতে নিম্ন লিখিত বিৱৰণীৰ সৈতে অহা ইংৰাজী ০৭/১০/২০২৫ তাৰিখে অথবা তাৰ অগতে নিম্নস্বাক্ষৰকাৰীলৈ আবেদন কৰিব লাগিব । বিচৰা মতে আৱশ্যকীয় বিৱৰণী আৰু প্ৰমাণ পত্ৰ নাপালে আবেদন নাকচ কৰা হ'ব ।

১) প্ৰাৰ্থীৰ নাম আৰু সম্পূৰ্ণ ঠিকনাঃ
২) পিতাৰ নামঃ
৩) বয়সঃ
৪) জাতি/ ধৰ্মঃ
৫) বৰ্তমান পেচাঃ
৬) শিক্ষাগত অৰ্হতাঃ
(মৌজা পৰিচালনা কৰাৰ বাবে মেট্ৰিক বা তাতোতকৈ উচ্চ শিক্ষাগত অৰ্হতা থকা অভিজ্ঞ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব ।)
৭) মৌজা পৰিচালনাৰ বিষয়ত পূৰ্বৰ অভিজ্ঞতা আছে নেকি ?:
(যদি আছে প্ৰমাণ পত্ৰ গাঁঠি দিব ।)
৮) সামাজিক অৱস্থা আৰু স্থানীয় লোকৰ লগত থকা সম্বন্ধঃ
(ৰাইজৰ মতামত সম্পৰ্কীয় প্ৰমাণ পত্ৰ/ প্ৰস্তাৱ আদি লগত দিব ।)
৯) জাতিৰ প্ৰমাণ পত্ৰঃ
১০) আৰ্থিক স্বচ্ছলতাৰ প্ৰমাণ পত্ৰঃ
(কৰ্তৃত্বশীল বিষয়াৰ পৰা সংগ্ৰহ কৰা হ'ব লাগিব।)
১১) মৌজাদাৰৰ কাৰ্যালয় স্থাপনৰ বাবে মৌজাৰ অন্তৰ্গত এলেকাত আৱশ্যকীয় আন্তঃগাঁথনি আছেনে ? যদি আছে সবিশেষ দাখিল কৰিব ।

এই বিজ্ঞাপন "অসম ভুমি আৰু ৰাজহ অধিনিয়ম ১৮৮৬"ৰ কাৰ্যকৰী নিৰ্দেশৰ ১১৫ নিয়মৰ ধাৰা অনুসৰি কৰা হৈছে ।

প্ৰাৰ্থীসকলে সাক্ষাৎকাৰৰ বাবে আহোতে কোনো ভ্ৰমণ বানচ/ ভাট্টা দিয়া নহ'ব ।

জিলা আয়ুক্ত
শিৱসাগৰ

স্মাৰ নং: এচ.ভি.আৰ.চি./টি.এন./থাওৰা মৌজা/২০২৪/৩৭ (ক)

দিনাংক: ২৬/০৯/২০২৫

ইয়াৰ প্ৰতিলিপিঃ

১) আয়ুক্ত সচিব, সাধাৰণ প্ৰশাসন বিভাগ, অসম, দিচপুৰ, গুৱাহাটী-৬ ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল ।
২) আয়ুক্ত সচিব, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, অসম, দিচপুৰ, গুৱাহাটী-৬ ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল ।
৩) সঞ্চালক, ভুমি লেক্ষ আৰু জৰিপ বিভাগ, অসম, ৰূপনগৰ, গুৱাহাটী-৩২ ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল ।
৪) সম জিলা আয়ুক্ত, ডিমৌ সম জিলাৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হ'ল ।
৫) চক্ৰ বিষয়া, ডিমৌ ৰাজহ চক্ৰৰ জ্ঞাতাৰ্থে ও বিষয়টো থাওৰা মৌজাৰ অন্তৰ্গত সকলো গাঁওপ্ৰধানৰ জৰিয়তে বহুল প্ৰচাৰৰ বাবে প্ৰেৰণ কৰা হ'ল ।
৬) খণ্ড উন্নয়ন বিষয়া, ডিমৌৰ জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ বাবে প্ৰেৰণ কৰা হ'ল ।
৭) জিলা তথ্য বিষয়া, এন. আই. চি., শিৱসাগৰ । উক্ত বিজ্ঞাপনটো শিৱসাগৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ ৱেবচাইটত আপলোড কৰিবৰ বাবে জনোৱা হ'ল ।
৮) জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া, শিৱসাগৰৰ জ্ঞাতাৰ্থে ও স্থানীয় বাতৰি কাকতত প্ৰকাশৰ বাবে প্ৰেৰণ কৰা হ'ল ।
৯) কাৰ্যালয়ৰ জাননী ফলক ।

অতিৰিক্ত জিলা আয়ুক্ত (ৰাজহ)
শিৱসাগৰ